বজাৰত বা ঘৰত অকলশৰীয়াকৈ পঢ়া নামাজৰ তুলনাত জামাতত আদায় কৰা নামাজৰ ছোৱাব বিছতকৈও অধিক গুণ বেছি।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "বজাৰত বা ঘৰত অকলশৰীয়াকৈ পঢ়া নামাজৰ তুলনাত জামাতত আদায় কৰা নামাজৰ ছোৱাব বিছতকৈও অধিক গুণ বেছি। কিয়নো যেতিয়া তোমালোকৰ মাজৰ কোনোবাই উত্তমৰূপে অজু কৰি কেৱল নামাজ পঢ়াৰ উদ্দেশ্যে মছজিদলৈ যায়, যদি সি নামাজৰ বাহিৰে বেলেগ কোনো উদ্দেশ্যত ওলাই অহা নাই তেন্তে তাৰ প্ৰতিটো খোজতে এটাকৈ মৰ্যাদা বৃদ্ধি কৰা হয় আৰু প্ৰতিটো খোজৰ বিনিময়ত তাৰ এটাকৈ গুনাহ মাফ কৰি দিয়া হয়। অৱশেষত সি মছজিদত প্ৰৱেশ কৰে। মছজিদত প্ৰৱেশ কৰাৰ পিছৰে পৰা তাক নামাজত থকা বুলি গণ্য কৰা হয়, যেতিয়ালৈকে সি নামাজৰ কাৰণে তাত বহি থাকে। সি যিটো ঠাইত নামাজ পঢ়িছে সেই ঠাইত যিমান সময়লৈকে বহি থাকে, সিমান সময়লৈকে ফিৰিস্তাসকলে তাৰ বাবে দুআ কৰে। তেওঁলোকে
কয়ঃ হে আল্লাহ! ইয়াৰ প্ৰতি ৰহম কৰা, ইয়াক ক্ষমা কৰা, হে আল্লাহ! তুমি ইয়াৰ তাওবা কবূল কৰা, (এইদৰে ফিৰিস্তাসকলে তাৰ বাবে দুআ কৰিয়ে থাকে) যেতিয়ালৈকে সি তাত কাকো কষ্ট নিদিয়ে অথবা যেতিয়ালৈকে তাৰ অজু ভংগ নহয়।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, কোনো মুছলিমে ঘৰত আদায় কৰা চালাত বা বজাৰত আদায় কৰা চালাতৰ তুলনাত মছজিদত জামাতৰ সৈতে আদায় কৰা চালাতৰ ছোৱাব হৈছে বিছতকৈও অধিক গুণ উত্তম। ইয়াৰ পিছত তেখেতে ইয়াৰ কাৰণ উল্লেখ কৰিছে যে, ব্যক্তিজনে উত্তমৰূপে পূৰ্ণাংগভাৱে অজু কৰিছে, তাৰ পিছত মছজিদলৈ ওলাই আহিছে একমাত্ৰ নামাজ পঢ়াৰ উদ্দেশ্যে, সেয়ে তাৰ প্ৰতিটো খোজতে এটাকৈ মৰ্যাদা বৃদ্ধি কৰা হ'ব আৰু এটাকৈ গুনাহ মাফ কৰা হ'ব। আৰু সি যেতিয়া মছজিদত প্ৰৱেশ কৰে আৰু নামাজৰ বাবে অপেক্ষা কৰে, তেতিয়া সেই অপেক্ষাৰ বাবে নামাজৰ দৰেই ছোৱাব লাভ কৰে। লগতে নামাজ পঢ়ি সেই ঠাইত যিমান সময়লৈকে বহি থাকে, সিমান সময়লৈকে ফিৰিস্তাসকলে তাৰ বাবে দুআ কৰে আৰু কয়ঃ "হে আল্লাহ! ইয়াক ক্ষমা কৰি দিয়া, ইয়াৰ ওপৰত ৰহম কৰা, ইয়াৰ তাওবা কবূল কৰা।" এই দুআ তেতিয়ালৈকে কৰে, যেতিয়ালৈকে তাৰ অজু ভংগ নহয় অথবা এনেকুৱা কোনো কাম নকৰে যিটোৰ দ্বাৰা মানুহে কষ্ট পায় অথবা ফিৰিস্তাসকলে কষ্ট পায়।

http://sunnah.global/hadeeth/as/show/4566